আৰ বি আই স্পষ্টীকৰণ

১৩ মাৰ্চ, ২০১৫

**সকলো সিদ্ধান্ত লয় এ কমিটীয়ে – আৰ বি আই**

সংবাদ প্ৰতিষ্ঠান ৰয়টাৰ দ্বাৰা আজি প্ৰকাশিত এটা অভিসন্ধিমূলক আৰু মনেসজা বাতৰি সন্দৰ্ভত ভাৰতীয় ৰিজাৰ্ভ বেংকে এক বিবৃতিযোগে কয় যে বাতৰিটোৰ কোনো ভিত্তি নাই। দৰাচলতে কেন্দ্ৰীয় বেংকটোত সিদ্ধান্তবোৰ কেনেকৈ লোৱা হয় তাৰ বিষয়ে প্ৰতিষ্ঠানটোৰ লেশমানো ধাৰণা নাই। ইয়াৰ লগতে বুজাই দিয়া হয় যে সকলো অন্তৰ্গামী তথ্য আৰু উপাত্তৰ সমূচিত বিষয়সমূহৰ সকলো দিশ বিবেচনাৰ অন্ততহে সকলো মৌদ্ৰিক নীতিগত সিদ্ধান্ত লোৱা হয়। সিদ্ধান্তসমূহ তেতিয়া গভৰ্ণৰে ডেপুটী গভৰ্ণৰ আৰু মৌদ্ৰিক নীতিৰ প্ৰভাৰী কাৰ্যবাহী সঞ্চালকৰ সৈতে নিবিড় আৰু ধাৰাবাহিক পৰামৰ্শক্ৰমে সৰ্বসন্মতিক্ৰমে লয়।

আল্পনা কিল্লাৱলা
যোগাযোগ বিভাগৰ প্ৰধান উপদেষ্টা
ভাৰতীয় ৰিজাৰ্ভ বেংক কেন্দ্ৰীয় কাৰ্যালয়
শ্বহীদ ভগত্ সিং ৰোড, মুম্বাই-৪০০০০১
ভাৰত।